# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-03-2025
**Time:** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ বিদেশৰ শ্ৰোতাসকলৰ আগত নিজৰ মনৰ ভাৱ ব্যক্ত কৰে।

২। সমাগত ৰঙালী বিহু, পহিলা বৈশাখ আৰু নৱৰেহ উৎসৱ তথা ঈদৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে আগতীয়াকৈ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে।

৩। জল সংৰক্ষণ, আন্তৰ্জাতিক যোগ দিৱস আৰু বস্ত্ৰ আৱৰ্জনাৰ প্ৰত্যাহ্বান তথা সমাধানৰ বিষয়ে শ্ৰীমোদীয়ে মন কী বাত অনুষ্ঠানত উল্লেখ কৰে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ নাগপুৰত উপস্থিত হৈ স্মৃতি মন্দিৰ দৰ্শন কৰে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত এখন খেলত আজি ডেলহী কেপিটেলছ-চানৰাইজাৰ্ছ হায়দৰাবাদৰ আৰু আনখন খেলত ৰাজস্থান ৰয়েলছ-চেন্নাই ছুপাৰ কিংছৰ সন্মুখীন হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি কেইদিনমানৰ পাছতেই ভাৰতৰ কেইবাখনো ৰাজ্যত আৰম্ভ হ'বলগীয়া নৱবৰ্ষৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰি শ্ৰীমোদীয়ে কয় যে দেশৰ বিভিন্ন ৰাজ্যত বিশেষকৈ কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাত উগাডী উৎসৱ পালন কৰা হৈছে। আজি মহাৰাষ্ট্ৰত পালন কৰা গুড়ী পৰোৱা উৎসৱৰ কথা উল্লেখ কৰি তেওঁ কয়, যে বৈচিত্ৰতাৰে ভৰা আমাৰ দেশত কেইদিনমানৰ পাছতে অসমত ৰঙালী বিহু, পশ্চিমবংগত পহিলা বৈশাখ আৰু কাশ্মীৰত নৱৰেহ উৎসৱ পালন কৰা হ'ব। এনেকৈয়ে অহা ১৩ এপ্ৰিলৰ পৰা ১৫ এপ্ৰিললৈ দেশৰ সকলো ঠাই উৎসৱমুখৰ হৈ পৰিব। সমাগত ঈদ উৎসৱৰ বিষয়ে উল্লেখ কৰি তেওঁ এই উৎসৱসমূহৰ বাবে সকলোকে শুভেচ্ছা জ্ঞাপন কৰে।

আজিৰ মন কী বাত অনুষ্ঠানত ছাত্ৰ ছাত্ৰীসকলৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে শিকিবৰ বাবে বৰ্তমান বহু নতুন নতুন উপায় ওলাইছে। কোনোবাই টেকনলজি কেম্পৰ আয়োজন কৰিছে য'ত ছাত্ৰ-ছাত্ৰীয়ে এপ বনাবলৈ শিকাৰ লগতে অ'পেন চোৰ্চ ছফটৱেৰ সম্পৰ্কেও জানিব পাৰিব। সেইদৰে গৰম বন্ধৰ সসময়ছোৱাত পৰিবেশ, নাটক, নেতৃত্ব আদি বিভিন্ন বিষয়ৰ প্ৰশিক্ষণৰো আয়োজন কৰা হয়। কোনো সংগঠন, বিদ্যালয় বা সামাজিক সংস্থাই যদি এনে কাৰ্যৰ আয়োজন কৰিছে তেনেহলে সেই কথা #myholidays ৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে অনুৰোধ জনাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে মাই ভাৰত পোৰ্টেলৰ কেলেণ্ডাৰখনৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি কয় যে এই কেলেণ্ডাৰ গৰম বন্ধৰ কথা মনত ৰাখি তৈয়াৰ কৰা হৈছে। ল'ৰা-ছোৱালী

আৰু তেওঁলোকৰ অভিভাৱকসকলক গৰমৰ বন্ধৰ অভিজ্ঞতাবোৰ #holidaymemories ৰ জৰিয়তে ছেয়াৰ কৰিবলৈ অনুৰোধ জনাইছে।

আজিৰ ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে বৰষুণৰ পানী সংৰক্ষণ কৰাৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয় যে জলশক্তি মন্ত্ৰালয়ৰ লগতে বিভিন্ন সংগঠনে পানী সংৰক্ষণৰ বাবে কাম কৰিবলৈ প্ৰস্তুতি চলাইছে। দেশত হাজাৰ হাজাৰ কৃত্ৰিম পুখুৰী, চেক দেম, বৰৱেল ৰিচাৰ্জ আৰু কমিউনিটি চকপিত নিৰ্মাণ কৰা হৈছে। এইবছৰো পানী সংৰক্ষণৰ বাবে Catch the rain অভিযানৰ প্ৰস্তুতিৰ  বিষয়ে প্ৰকাশ কৰি তেওঁ কয় যে এই অভিযান চৰকাৰৰ নহয়, বৰং ৰাইজৰহে। জল সংৰক্ষণ কাৰ্যত অধিক লোকক জড়িত কৰাবৰ বাবে **জল সঞ্চয়, জন সহযোগ** অভিযানো চলোৱা হৈছে। এই অভিযানবোৰৰ উদ্দেশ্যে হৈছে আমি লাভ কৰা প্ৰাকৃতিক সম্পদসমূহ পৰৱৰ্তী প্ৰজন্মৰ বাবে সংৰক্ষণ কৰা। তেওঁ পানী সংৰক্ষণৰ ক্ষেত্ৰত বিগত কেইটামান বছৰত দেশত অভূতপূৰ্ব প্ৰয়াসৰ কথা উল্লেখ কৰি কয়, যে বিগত ৭-৮ বছৰত নতুনকৈ খন্দোৱা পুখুৰী আৰু অন্যান্য কৃত্ৰিম জলাশয়ৰ সহায়ত এঘাৰ বিনিয়ন কিউবিক মিটাৰতকৈ বেছি পানী সংৰক্ষণ কৰা হৈছে। পানী সংৰক্ষণৰ ক্ষেত্ৰত কৰ্ণাটকৰ গদগ জিলাবাসীৰ উদাহৰণ দাঙি ধৰি তেঁও কয় যে কিছুবছৰ পূৰ্বে সেই অঞ্চলত হ্ৰদসমূহ শুকাই যোৱাৰ ফলত খোৱাপানীৰ অভাৱ হৈছিল। কিন্তু গাওঁবাসীয়ে হ্ৰদসমূহ পুনৰউজ্জীৱিত কৰাৰ সংকল্প লৈ এই কামত সক্ৰিয়ভাৱে জড়িত হৈ পৰিল। হ্ৰদত গজা উঠা ঘাঁহ বন, জাবৰ নিষ্কাষণ কৰি সকলোৱে বাৰিষা বতৰৰ বাবে অপেক্ষা কৰিছে যাতে বাৰিষাৰ বতৰত বৰষুণৰ পানী সংগ্ৰহ কৰিব পাৰে। Catch the rain অভিযানৰ এয়া এখক সুন্দৰ নিদৰ্শন বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দেশবাসীক এনে প্ৰয়াসৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায়।

মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে খেলো ইণ্ডিয়া পেৰা গেমছৰ সফলতাৰ বাবে খেলুৱৈসকলৰ একাগ্ৰতা আৰু প্ৰতিভাৰ প্ৰশংসা কৰে। পেৰা খেল জনপ্ৰিয় হৈ কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এই খেলত এইবাৰ পূৰ্বতকৈ অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰলিছে। তেওঁ হাৰিয়ানা, তামিলনাডু আৰু উত্তৰ প্ৰদেশৰ খেলুৱৈসকলক প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰাৰ বাবে বিশেষভাৱে শুভেচ্ছা জ্ঞাপন কৰিছে। এইবাৰৰ খেলত দিব্যাংগ খেলুৱৈসকলে ১৮ টাকৈ আন্তঃৰ্জাতিক অভিলেখ গঢ়াৰ বিষয়ে উল্লেখ কৰি ইয়াৰে ১২ টাত মহিলা খেলুৱৈৰ নাম থকা বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। খেলো ইণ্ডিয়া পেৰাগেমছত সোণৰ পদকপ্ৰাপ্ত আৰ্মৰেষ্টলাৰ জাবী মেথিউৱে প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰা পত্ৰৰ কথা উল্লেখ কৰি তেওঁ ইয়াৰে কিছু অংশ অনুষ্ঠানত পাঠ কৰি দিয়ে। পত্ৰখনত জাবি মেথিউৱে দিব্যাংগসকলে প্ৰতিদিনে এখন যুঁজত অৱতীৰ্ণ হব লগাৰ কথা উল্লেখ কৰি কয় যে বহু কম লোকেহে তেওঁলোকৰ সংগ্ৰাম বুজি পায়। তথাপি দিব্যাংগসকলে সাহসেৰে আগুৱাই গৈ নিজৰ সপোন বাস্তৱ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। জাবি মেথিউৰ এই পত্ৰ প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰি কয় যে  দিব্যাংগসকলৰ প্ৰয়াস আমাৰ সকলোৰে বাবে প্ৰেৰণাৰ উৎস। ফিট ইণ্ডিয়া কাৰ্ণিভেলৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে এই আড়ম্বৰপূৰ্ণ আয়োজনত বিভিন্ন ক্ষেত্ৰত ২৫ হাজাৰ লোকে অংশগ্ৰহণ কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ কয় যে এই আয়োজনৰ লক্ষ্য হৈছে শৰীৰ সুস্থ ৰখা আৰু সকলোকে এই কাৰ্যৰ বাবে সজাগ কৰি তোলা। আন্তঃৰ্জাতিক যোগ দিৱসৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে যোগ দিৱসৰ বাবে আৰু এশতকৈও কম দিন  বাকী আছে। বৰ্তমান আন্তঃৰ্জাতিক যোগ দিৱস এটা বৃহৎ যোগ মহোৎসৱলৈ পৰিণত হৈছে আৰু ভাৰতৰ এই অমূল্য বৰঙণিয়ে ভৱিষ্যতৰ দিনবোৰত মানৱ জাতিৰ বহু উপকাৰ সাধিব বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। এই বৰ্ষৰ যোগ দিৱসৰ মূল বাণী হৈছে যোগা ফৰ ওৱান আৰ্থ -ওৱান হেল্‌থ অৰ্থাৎ আমি যোগৰ জৰিয়তে সমগ্ৰ বিশ্বৰে স্বাস্থ্যৰ উৎকৰ্ষ কামনা কৰো। তেওঁ আমাৰ যোগ আৰু পৰম্পৰাগত ভেষজ সম্পৰ্কে বিশ্বৰ অনুসন্ধিৎসা ক্ৰমাৎ বৃদ্ধি হ'বলৈ ধৰাৰ বিষয়ে উল্লেখ কৰি কয় যে যুৱ সম্প্ৰদায়ৰ এক বৃহৎ অংশই যোগ আৰু আয়ুৰ্বেদীয় পদ্ধতিক এটা উত্তম ব্যৱস্থাৰূপে গ্ৰহণ কৰিছে। Somos India নামৰ এটা দলৰ বিষয়ে উল্লেখ কৰি কয় যে এই দলটোৱে বিগত এটা দশকজুৰি যোগ আৰু আয়ুৰ্বেদক জনপ্ৰিয় কৰাৰ প্ৰচেষ্টা চলাই আহিছে।

শ্ৰীমোদীয়ে তেওঁৰ শেহতীয়া মৰিচাচ আৰু গায়ানা ভ্ৰমণৰ কথা উল্লেখ কৰে।  মৰিচাচৰ **গীত গৱই** আৰু গায়ানাৰ চৌতাল প্ৰদৰ্শনে তেওঁক আকৃষ্ট কৰাৰ কথাও উল্লেখ কৰে। ফিজিৰ জনপ্ৰিয় ফগুৱা চৌতাল গীতৰ কথা উল্লেখ কৰি তেনেবোৰ দেশত ভাৰতীয় সংস্কৃতি সংৰক্ষণ কৰাৰ বাবে কাম কৰি অহা বিভিন্ন সংগঠনৰ বিষয়ে তেওঁ কয়। ছিংগাপুৰ ফাইন আৰ্টছ ছোচাইটি নামৰ সংগঠনটোৱে

ভাৰতীয় নৃত্য, সংগীত আৰু সংস্কৃতি সংৰক্ষণ কৰা কাম আত্মনিয়োগ কৰি আহিছে বুলিও তেওঁ জানিবলৈ দিয়ে। বস্ত্ৰ আৱৰ্জনা, বৰ্তমান এক প্ৰত্যাহ্বান হৈ পৰিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে বিশ্বৰ আটাইতকৈ বেছি বস্ত্ৰ আৱৰ্জনা উৎপন্ন কৰা দেশৰ ভিতৰত ভাৰতৰ স্থান তৃতীয়। এই প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ আমাৰ দেশে প্ৰশংসনীয় পদক্ষেপ লৈছে। ভাৰতৰ কেইটাবাও ষ্টাৰ্ট আপ কোম্পানীয়ে ইতিমধ্যে টেক্সটাইল ৰিক'ভাৰী ফেছেলিটিৰ দিশত কাম আৰম্ভ কৰিছে। বয়ন শিল্পীসকলক সৱলীকৰণৰ প্ৰচেষ্টা চলাই কিছুসংখ্যক উদ্যমীয়ে বহনক্ষম ফেশ্বনৰ সৈতে সংযুক্ত হৈ পৰিছে। এই ষ্টাৰ্টআপসমূহে পুৰণি বস্ত্ৰ, জোতা চেণ্ডেল আদি পুনঃ ব্যৱহাৰযোগ্য কৰি অভাৰী লোকৰ মাজত বিতৰণ কৰিছে। আজিৰ অনুষ্ঠানত তেওঁ ফুলৰ বিষয়েও উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাতৰ এয়া আছিল ১২০ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো প্ৰচাৰ কৰা হৈছে। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি মহাৰাষ্ট্ৰৰ নাগপুৰত উপস্থিত হৈছে। তাত তেওঁ স্মৃতি মন্দিৰ দৰ্শন কৰাৰ লগতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰতিষ্ঠাপক ড° কেশৱ হেডগেৱাৰ আৰু মাধৱৰাও গলৱাকাৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। এই কাৰ্যসূচীত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মোহন ভগত, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়ণাবীছো উপস্থিত থাকে। ১৯২৫ চনত নাগপুৰত ড০ কেশৱ হেডগেৱাৰে প্ৰতিষ্ঠা কৰা প্ৰতিষ্ঠা কৰা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই এইবাৰ শতবাৰ্ষিকী উদযাপন কৰিছে।

ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে দীক্ষা ভূমি ভ্ৰমণ কৰি ড০ বি আৰ আম্বেডকাৰৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। তেওঁ নাগপুৰত মাধৱ নেত্ৰালয় প্ৰিমিয়াম চেণ্টাৰৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি এখন জনসভাতো ভাষণ দিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ ৰাজ্যখনত নতুনকৈ স্থাপন কৰা কেইবাটাও প্ৰকল্প আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

মহাৰাষ্ট্ৰ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী চত্তিশগড়ৰ বিলাসপুৰলৈ যাব। তাত তেওঁ ৩৩ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহ বিদ্যুৎ, তেল আৰু গেছ, ৰেল, পথ পৰিবহন, শিক্ষা আৰু গৃহ নিৰ্মাণ খণ্ডৰ সৈতে জড়িত। বিশেষকৈ চত্তিশগড়ৰ জনজাতীয় আৰু উদ্যোগিক অঞ্চলৰ যাতায়ত ব্যৱস্থা উন্নত কৰাৰ বাবে কেইবাটাও ৰেল আৰু পথ প্ৰকল্পৰ বিশেষ গুৰুত্ব দিয়া হ'ব। অঞ্চলটোৰ শিক্ষাৰ আন্তঃগাথনি উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰীয়ে চত্তিশগড়ৰ ২৯ খন জিলাৰ ১৩০খন পি এম শ্ৰী স্কুল মুকলি কৰিব। সকলোৰে বাবে গৃহ নিৰ্মাণৰ আঁচনি বাস্তৱায়িত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত চত্তিশগড়ত ৩ লাখ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানৰো আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে এখন জনসভাতো ভাষণ দিব।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল খেলোৱা হ'ব। বিয়লি চাৰে ৩ বজাত বিশাখাপট্টনমত হ'বলগীয়া প্ৰথমখন খেলত ডেলহী কেপিটেলছ চানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ সন্মুখীন হ'ব। খেলখনক লৈ দৰ্শকৰ মাজত বিপুল উৎসাহ দেখা গৈছে।

০০০

সমাপ্ত